জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২৯৮/২০২১**

## ভাৰতীয় মছলা পৰিষদৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

# মছলাৰ দিশত থকা ৰাজ্যখনৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ বিষয়ে বিস্তৃত আলোচনা

## ৰাজ্যত অনুষ্ঠিত হ'ব মছলা ৰপ্তানীকাৰীৰ সন্মিলন

**দিছপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনৰ মছলাৰ দিশত থকা সম্ভাৱনাৰ পূৰ্ণ বিকাশৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ভাৰতীয় মছলা পৰিষদৰ সৈতে এক বৈঠকত মিলিত হয়। কইনাধৰাস্থিত ১ নং ৰাজ্যিক অতিথিশালাত অনুষ্ঠিত এই বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ অঞ্চলভিত্তিক মছলা উৎপাদনৰ এক বিস্তৃত পৰ্যালোচনা কৰে। ৰাজ্যখনৰ বিভিন্ন প্ৰজাতিৰ আদা আৰু জলকীয়াৰ লেখীয়া মছলাৰ যথেষ্ট মূল্য থকাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্য চৰকাৰৰ কৃষি বিভাগক ভাৰতীয় মছলা পৰিষদৰ সৈতে সংযুক্ত হৈ এই দিশত কাম কৰাৰ বাবে নিৰ্দেশ দিয়ে যাতে এই সামগ্ৰীসমূহৰ ব্যাপক বাণিজ্যৰ সম্ভাৱনা বিকশাই তুলিব পৰা যায়। এই দিশত ভাৰতীয় মছলা পৰিষদৰ পাৰদৰ্শী ব্যক্তিৰ সহায় তথা ইয়াৰ সংসাধন কৰাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মছলা বিপণনৰ দিশত মানসম্পন্ন পৰীক্ষাগাৰৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে মছলাৰ গুণাগুণ নিৰ্দ্ধাৰণ কৰাত সহায়ক হোৱাকৈ গুৱাহাটীত এটা এনেধৰণৰ পৰীক্ষাগাৰ স্থাপনৰ বাবে ৰাজ্য চৰকাৰে ভূমি আৱণ্টন প্ৰদান কৰিব বুলিও কয়। আজিৰ বৈঠকত ৰাজ্যখনৰ মছলা ক্ষেত্ৰৰ বিকাশৰ বাবে আন্তঃগাঁথনি আৰু উদ্যমিতা উন্নয়নৰ ওপৰতো বিশদভাৱে আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে কৃষি, উদ্যান শস্য ইত্যাদি বিভাগৰ মন্ত্ৰী অতুল বৰাক ৰাজ্যখনৰ মছলাখণ্ডৰ উৎকৰ্ষতাৰ বাবে ভাৰতীয় মছলা পৰিষদৰ সৈতে কাম কৰাৰ এক উপযুক্ত মডেলিটি সৃষ্টি কৰাৰ বাবে নিৰ্দেশ দিয়ে। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ মছলা খণ্ডৰ মূল্যসংযোজন বৃদ্ধিৰ বাবে কৃষি বিভাগ আৰু ভাৰতীয় মছলা উদ্যোগে উমৈহতীয়াভাৱে কাম কৰাৰ প্ৰয়োজনীয়তা আছে। ৰাজ্যখনত বৰ্তমানে ১১৬ টা মছলা ৰপ্তানিকাৰী থকাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে গুৱাহাটীত এক ৰাজ্যিক সম্ভাৱনীয়তা থকা ৰপ্তানীকাৰীৰ সন্মিলন অনুষ্ঠিত কৰিব।

আজিৰ এই বৈঠকত কৃষি, উদ্যান শস্য ইত্যাদি বিভাগৰ মন্ত্ৰী অতুল বৰা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, কৃষি বিভাগৰ সচিব বিনোদ শেষান আৰু ভাৰতীয় মছলা পৰিষদৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

**সুঃদঃ / বঃভাঃ**
**২৭-০৯-২০২১**